# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-07-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*

*- - - - - - - - - - - - - - - - - - - - - -*

## *HEADLINES*

১। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সৈতে টেলিফোনযোগে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অসমৰ বান পৰিস্থিতি সন্দৰ্ভত আলোচনা। বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ ৰাজ্য চৰকাৰক সহায়ৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ আশ্বাস।

২। কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল অ'ৰামৰ আজি দিনজোৰা কাৰ্যসূচীৰে শিৱসাগৰ জিলা ভ্ৰমণ। কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন ধ্বজাবাহী আঁচনি সন্দৰ্ভত মন্ত্ৰীগৰাকীৰ পৰ্যালোচনা।

৩। ৰাজ্যত দৰিদ্ৰতা ৩৬ শতাংশৰ পৰা ১৯ শতাংশলৈ হ্ৰাস পাইছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ গুৱাহাটীত প্ৰকাশ।

৪। দক্ষতা ভাৰত আঁচনিৰ অধীনত দেশত এইপৰ্যন্ত এক কোটি ৪৬ লাখৰো অধিক লোকৰ দক্ষতা বিকশাই তোলা হৈছে বুলি কেন্দ্ৰীয় দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰী জয়ন্ত চৌধৰীৰ মন্তব্য।

৫। অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পাঠ্যক্ৰম আৰু প্ৰশ্নকাকতৰ আৰ্হি ৰাজ্য চৰকাৰৰ ঘোষণা।

**আৰু**

৬। আৰ্জেণ্টিনাৰ কোপা আমেৰিকাৰ খিতাপ অক্ষুণ্ণ। ফাইনেলত কলম্বিয়াৰ বিৰুদ্ধে আৰ্জেণ্টিনাৰ জয়লাভ।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসমৰ বান পৰিস্থিতিৰ বুজ লয়। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পৰা টেলিফোনযোগে ৰাজ্যখনৰ শেহতীয়া বান পৰিস্থিতিৰ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, তেওঁ কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীক ৰাজ্যৰ বান পৰিস্থিতিৰ বিষয়ে বিৱৰণ দাঙি ধৰে। বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাত ৰাজ্যখনক সহায় কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে সম্ভৱপৰ সকলো সহায়-সহযোগিতা আগবঢ়াব বুলি কেন্দ্ৰীয় মন্ত্ৰী শ্ৰী শ্বাহে মুখ্যমন্ত্ৰীক অৱগত কৰে। উল্লেখযোগ্য যে ৰাজ্যৰ বিভিন্ন জিলাত বাঢ়নী পানী ক্ৰমাৎ শুকাবলৈ লৈছে যদিও ব্ৰহ্মপুত্ৰ, বুঢ়ী দিহিং আৰু দিচাং নৈৰ জলস্তৰ এতিয়াও বিপদসীমাৰ ওপৰত আছে। শেহতীয়া তথ্য অনুসৰি ৰাজ্যত বানৰ ফলত ৯৩ জন লোকৰ মৃত্যু হৈছে।

ইপিনে কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল অ'ৰামে আজি শিৱসাগৰৰ টেঙাপানীৰ পৰা দিচাংমুখলৈ মথাউৰি পৰিদৰ্শন কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ অধীনত ৯ কোটি টকা ব্যয়ৰে ৰূপায়ণ হৈ থকা মথাউৰিটোৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। পৰিদৰ্শনকালত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সংগ দিয়ে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জিলাখনৰ উন্নয়নমূলক কাম-কাজ পৰ্যালোচনা কৰাৰ লগতে বান পৰিস্থিতিৰো খতিয়ান লয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ লগতে জিলাখনৰ আহোম পথাৰ গাঁৱত জলজীৱন মিছনৰ অধীনত স্থাপন কৰা পানীযোগান আঁচনি উদ্বোধন কৰে।

জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই এক্স যোগে জনোৱা অনুসৰি ব্ৰহ্মপুত্ৰ বাঢ়নী পানীয়ে ছিগি নিয়া মাজুলীৰ যুগুনিধাৰী মথাউৰিটোৰ দ অংশ অত্যাধুনিক প্ৰযুক্তিৰে জিঅ' বেগত মাটি ভৰাই সম্পূৰ্ণ কৰা হৈছে। লগতে মথাউৰিটোৰ ছিগা অংশৰ দুয়োটা মূৰ ১৫ দিনৰ ভিতৰত অত্যাধুনিক প্ৰযুক্তিৰে সংযোগ কৰা হৈছে। জলসম্পদ বিভাগৰ অধীনত ৰাজ্যৰ ছিগা মথাউৰিৰ মেৰামতিৰ কাম পূৰ্ণগতিত চলি আছে বুলি তেওঁ জানিবলৈ দিয়ে।

মন্ত্ৰী কেশৱ মহন্তই আজি নগাঁও জিলাৰ চামগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত এক নম্বৰ গৰুমৰা, দুই নম্বৰ গৰুমৰা আৰু দুই নম্বৰ ভোমোৰাগুৰিৰ বান পৰিস্থিতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে বানপীড়িত ৰাইজৰ অসুবিধান নহ'বৰ বাবে যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীৰ লগতে মিছা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আশ্ৰয় গ্ৰহণ কৰি থকা বানপীড়িত ৰাইজৰ সৈতে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰে।

ooooo

কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰী জুৱেল অ'ৰামে আজি দিনজোৰা কাৰ্যসূচীৰে শিৱসাগৰ জিলা পৰিভ্ৰমণ কৰে। দিনজোৰা ভ্ৰমণসূচীৰ অন্তত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ সভাত অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই পৰ্যালোচনা বৈঠকত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন ধ্বজাবাহী আঁচনি ৰূপায়ণৰ অগ্ৰগতিৰ বুজ লয়। সংবাদমাধ্যমৰ সৈতে হোৱা কথা বতৰাত তেওঁ সাধাৰণ ৰাইজৰ সমস্যা সন্দৰ্ভত বিভিন্নজনৰ পৰা স্মাৰক পত্ৰ গ্ৰহণ কৰিছে বুলি জানিবলৈ দিয়ে। তেওঁ কয় যে, স্মাৰক পত্ৰত উল্লেখ কৰা সমস্যা সন্দৰ্ভত শীঘ্ৰেই ব্যৱস্থা গ্ৰহণ কৰা হ'ব। উল্লেখযোগ্য যে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আজি পুৱা শিৱদৌল পৰিদৰ্শন কৰাৰ পাছত এলানী চৰকাৰী কাৰ্যসূচীত অংশগ্ৰহণ কৰে। জিলাখনৰ বানপীড়িত অঞ্চল পৰিদৰ্শন কৰাৰ লগতে তেওঁ গোসাঁইবাৰী চাহ বাগিচালৈ গৈ চাহ শ্ৰমিকৰ সৈতে মত বিনিময় কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলাখনৰ বিভিন্ন সংগঠনৰ প্ৰতিনিধিৰ সৈতেও মত বিনিময় কৰে। উল্লেখযোগ্য যে পৰ্যালোচনা বৈঠকত শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী তথা সমভূমি জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগু, বিধায়ক সুশান্ত বৰগোহাঁই, জিলা আয়ুক্ত আদিত্য বিক্ৰম যাদৱৰ লগতে বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

ooooo

ৰাজ্যত দৰিদ্ৰতা ৩৬ শতাংশৰ পৰা ১৯ শতাংশলৈ হ্ৰাস পাইছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীত প্ৰকাশ কৰে। দিছপুৰত অনুষ্ঠিত সংবাদমেলত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, বিভিন্ন হিতাধিকাৰীৰ আঁচনিৰ জৰিয়তে ৰাজ্য চৰকাৰে দৰিদ্ৰতা নিৰ্মূল কৰিবলৈ সমৰ্থ হৈছে। নিটি আয়োগে কালি প্ৰকাশ কৰা বহনক্ষম উন্নয়নৰ লক্ষ্য সম্বন্ধীয় সূচক বৃদ্ধি পোৱা প্ৰসংগতো মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। নিটি আয়োগৰ বহনক্ষম উন্নয়নৰ লক্ষ্য সম্বন্ধীয় সূচকত অসমৰ স্কৰ ৭১ লৈ বৃদ্ধি পোৱাটো ইতিবাচক দিশ বুলি তেওঁ প্ৰকাশ কৰে। তেওঁ কয় যে, নিযুত মইনা, অৰুণোদয়, নতুন মহাবিদ্যালয় স্থাপন, ছাত্ৰীক স্কুটী বিতৰণ আদি ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিয়ে বহনক্ষম উন্নয়নৰ লক্ষ্য সম্বন্ধীয় সূচক বৃদ্ধি কৰে।

ooooo

ৰাজ্য চৰকাৰে আজি এক লাখ নিযুক্তি প্ৰদানৰ অংশ হিচাপে ৪১ গৰাকী প্ৰাৰ্থীক শিক্ষা বিভাগত নিযুক্তি প্ৰদান কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে নিযুক্তি পত্ৰ বিতৰণ কৰে। লোকসেৱা ভৱনত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই উচ্চ শিক্ষা সঞ্চালকালয়ত ২২ গৰাকী, কাৰিকৰী শিক্ষা সঞ্চালকালয়ত ১২ গৰাকী আৰু ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদত ৭ গৰাকী যোগ্য প্ৰাৰ্থীক নিযুক্তি প্ৰদান কৰে। এই নিযুক্তি প্ৰদানৰ ফলত এইপৰ্যন্ত ৯৭ হাজাৰ ৪৯৫টা পদত নিযুক্তি সম্পূৰ্ণ হয়।

আনহাতে, অহা বছৰৰ এপ্ৰিল মাহৰ ভিতৰত বিভাগটোত আৰু ১৩ হাজাৰ পদ পূৰণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। বহিঃৰাজ্যৰ প্ৰাৰ্থীক চাকৰি দিয়াৰ বাতৰিও মুখ্যমন্ত্ৰীগৰাকীয়ে অস্বীকাৰ কৰে।

ooooo

গোৱালপাৰা জিলাৰ আগিয়া থানাৰ অন্তৰ্গত কল্যাণপুৰত যোৱা নিশা দুৰ্বৃত্তৰ গুলীত অশোক গোৱেল নামৰ ব্যৱসায়ী গৰাকী নিহত হোৱা ঘটনা সন্দৰ্ভত বুজ ল'বলৈ আজি অসম আৰক্ষীৰ আইন-শৃংখলা শাখাৰ মহাপৰিদৰ্শক প্ৰশান্ত কুমাৰ ভূঞা গোৱালপাৰাত উপস্থিত হয়। তেওঁ ঘটনাস্থলী পৰিদৰ্শন কৰাৰ পাছত পৰিয়ালৰ লোকক সাক্ষাৎ কৰি শীঘ্ৰে অপৰাধীক কৰায়ত্ব কৰা হ'ব বুলি উল্লেখ কৰে। ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনেও ব্যৱসায়গৰাকীৰ বাসগৃহত উপস্থিত হৈ পৰিয়ালৰ লোকক সমবেদনা জ্ঞাপন কৰে। উল্লেখযোগ্য যে, যোৱা নিশা দুৰ্বৃত্তৰ এটা দলে ব্যৱসায়ীজনৰ ওপৰত আক্ৰমণ চলাইছিল। ততালিকে তেওঁক গোৱালপাৰা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে। ঘটনা সংঘটিত হোৱাৰ পাছতে আৰক্ষীয়ে দুৰ্বৃত্তৰ দলটোক কৰায়ত্ব কৰাৰ চেষ্টাৰে অভিযান চলাই ঘটনাস্থলীৰ পৰা এটা ৭ পইণ্ট ৬-৫ এম এম পিষ্টল উদ্ধাৰ কৰে।

ooooo

আধুনিক অসমৰ আৰ্হি নিৰ্মাতা তথা সিংহ পুৰুষ অভিধাৰে অভিহিত ৰাধা গোবিন্দ বৰুৱাৰ আজি পূণ্য তিথি উপলক্ষে ৰাজ্যৰ জনসাধাৰণে শ্ৰদ্ধা নিবেদন কৰিছে। দি আছাম ট্ৰিবিউন কাকত গোষ্ঠীৰ জন্মদাতা বৰুৱাৰ তত্বাৱধানত গুৱাহাটীৰ নেহেৰু ষ্টেডিয়াম নিৰ্মাণ কৰা হৈছিল। তদুপৰি ক্ৰীড়া ক্ষেত্ৰৰ উত্তৰণৰ ক্ষেত্ৰত তেওঁৰ অৱদান লেখত ল'বলগীয়া। গুৱাহাটীৰ ইণ্ডোৰ ষ্টেডিয়াম, অসম কৃষি সংস্থা, অসম বেডমিণ্টন সংস্থা আদিৰ প্ৰতিষ্ঠাতো তেওঁ আগভাগ লৈছিল।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সিংহ পুৰুষগৰাকীৰ পূণ্য তিথি উপলক্ষে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। এটা বাৰ্তাত তেওঁ কয় যে, আধুনিক অসমৰ জাতীয় জীৱনৰ দিক্‌দৰ্শক হিচাপে পৰিগণিত বৰুৱাৰ ক্ৰীড়া আৰু সংবাদ ক্ষেত্ৰলৈ অৱদান আছিল অপৰিসীম। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সিংহ পুৰুষগৰাকীৰ স্মৃতিত শ্ৰদ্ধা জনাই দিয়া বাৰ্তাত কয় যে, ক্ৰীড়া-সংস্কৃতি, সংবাদ সেৱাকে ধৰি সমাজৰ বিভিন্ন ক্ষেত্ৰত উৎকৃষ্ট অৱদান আগবঢ়াই যোৱা বৰুৱাৰ অৰিহণাৰ বাবে অসমৰ জনসাধাৰণ চিৰ কৃতজ্ঞ হৈ ৰ'ব।

ooooo

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান** অসমতো অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে জিলাই জিলাই বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মূলতঃ প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্‌থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

ooooo

দক্ষতা ভাৰত আঁচনিৰ অধীনত দেশত এই পৰ্যন্ত এক কোটি ৪৬ লাখৰো অধিক লোকৰ দক্ষতা বিকশাই তোলা হৈছে বুলি কেন্দ্ৰীয় দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰী জয়ন্ত চৌধৰীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি আয়োজিত বিশ্ব যুৱ দক্ষতা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, দক্ষতা বিকাশৰ ক্ষেত্ৰত ভাৰতৰ বিশেষ যাত্ৰাৰ অভিজ্ঞতা আছে আৰু ১০ বছৰ পূৰ্বে দক্ষতা বিকাশ আৰু উদ্যমিতাক পৃথক মন্ত্ৰ্যালয় হিচাপে গঠন কৰা হয়। বিগত ১০ বছৰৰ সাফল্যৰ পৰা শিক্ষা গ্ৰহণ কৰি তেওঁৰ মন্ত্ৰ্যালয়ে সৰ্বাত্মক আঁচনি ৰূপায়ণৰ দ্বাৰা ২০৪৭ চনৰ ভিতৰত ভাৰতক বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ় দিয়াৰ যাত্ৰাত অৰিহণা যোগাব বুলি তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে, এই বছৰ বিশ্ব যুৱ দক্ষতা দিৱসৰ বিষয় হ'ল শান্তি আৰু উন্নয়ন। শান্তি থাকিলেহে উন্নয়ন সম্ভৱ হৈ উঠে বুলি তেওঁ মন্তব্য কৰে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে দক্ষতা বিকাশৰ প্ৰশিক্ষণ গ্ৰহণ কৰা যুৱক-যুৱতীসকলক আদৰণি জনোৱাৰ লগতে তেওঁলোকৰ সৈতে মত বিনিময় কৰে।

০০০০০

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পাঠ্যক্ৰম আৰু প্ৰশ্নৰ আৰ্হি আজি ৰাজ্য চৰকাৰে প্ৰকাশ কৰে। ঘোষণা কৰা বিষয়বস্তু অনুসৰি চতুৰ্থ বৰ্গৰ বাবে লিখিত পৰীক্ষা দুটা শাখাত অনুষ্ঠিত হ'ব। প্ৰথম শাখাত অষ্টম শ্ৰেণী পৰ্যন্ত আৰু  দ্বিতীয় শাখাত দশম শ্ৰেণীৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰশ্নকাকত অসমীয়া ভাষাৰ লগতে হিন্দী, বাংলা, ইংৰাজী আৰু বড়ো ভাষাত উপলব্ধ হ'ব। ১৩৫ নম্বৰৰ পৰীক্ষা অনুষ্ঠিত হ'ব আৰু প্ৰতিটো প্ৰশ্নত এক নম্বৰ থাকিব। প্ৰতিটো ভুল উত্তৰৰ বাবদ দশমিক ২৫ নম্বৰ কটা যাব। আনহাতে তৃতীয় বৰ্গৰ পৰীক্ষা তিনিটা শাখাত অনুষ্ঠিত হ'ব। প্ৰথম শাখা স্নাতক পৰ্যায় আৰু দ্বিতীয় শাখা উচ্চতৰ মাধ্যমিক পৰ্যায়ত অনুষ্ঠিত হ'ব। প্ৰথম শাখাত মুঠ ১৫০টা প্ৰশ্ন থাকিব আৰু মুঠ নম্বৰ হ'ব ১৭৫। দ্বিতীয় শাখাত ১৫০ নম্বৰৰ পৰীক্ষা অনুষ্ঠিত হ'ব। তৃতীয় শাখাত চালকৰ বাবে অনুষ্ঠিত পৰীক্ষাত মেট্ৰিকত উত্তীৰ্ণ প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। তৃতীয় শাখাতো ১৫০ নম্বৰৰ পৰীক্ষা অনুষ্ঠিত হ'ব। তৃতীয় বৰ্গৰ পৰীক্ষাতো প্ৰতিটো ভুল উত্তৰৰ বাবে দশমিক ২৫ নম্বৰ কৰ্তন কৰা হ'ব।

০০০০০

অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে চলিত বৰ্ষৰ দ্ৰোণাচাৰ্য বঁটা আৰু শিক্ষক শ্ৰী বঁটা প্ৰাপকৰ নাম ঘোষণা কৰিছে। সন্মিলনীয়ে জনোৱা অনুসৰি দ্ৰোণাচাৰ্য বঁটা শোণিতপুৰৰ বালিপাৰা প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত সৰু পাটগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নকুল কুৰ্মীলৈ আগবঢ়োৱা হৈছে। আনহাতে শিক্ষক শ্ৰী বঁটা কামৰূপ জিলাৰ বড়িহাট নিবাসী ফুলগুৰী প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক নবীন চন্দ্ৰ দাসলৈ আগবঢ়োৱা হৈছে। অহা ২৫ জুলাইত হ'বলগীয়া অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ হাইলাকান্দি অধিৱেশনৰ মুকলি সভাত এই বঁটা প্ৰদান কৰা হ'ব।

ইফালে, চিৰাং জিলাৰ চিদলী কাশীকোত্ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত বি টি আৰৰ প্ৰাথমিক শিক্ষক সন্মিলনীৰ অষ্টম দ্বি-বাৰ্ষিক অধিৱেশন আৰু কাজলগাঁও মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ নৱম দ্বি-বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি পৰে। অনুষ্ঠানৰ মুকলি সভাত অংশ লৈ কোকৰাঝাৰ সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰীয়ে বিগত ২০২৩ আৰু ২৪ বৰ্ষত চিৰাং জিলাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৰাজ্যৰ ভিতৰতে শীৰ্ষ স্থান লাভ কৰিবলৈ সক্ষম হোৱাত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ অৱদানৰ প্ৰশংসা কৰে। তেওঁ লগতে বি টি আৰত সম্প্ৰতি বিৰাজ কৰা শান্তিৰ পৰিৱেশে ইয়াৰ মূল কাৰণ বুলি মন্তব্য কৰে।

০০০০০

আৰ্জেণ্টিনাই মায়ামিৰ হাৰ্ড ৰ'ক ষ্টেডিয়ামত আজি পুৱা কলম্বিয়াক ১-০ৰ ব্যৱধানত পৰাস্ত কৰি কোপা আমেৰিকা চেম্পিয়নশ্বিপৰ খিতাপ অৰ্জন কৰে। লওটাৰো মাৰ্টিনেজে খেলৰ দ্বিতীয়াৰ্ধত বিজয়ী গ'লটো দিয়ে। আৰ্জেণ্টিনাই অভিলেখ সংখ্যক ১৬ বাৰৰ বাবে এই টুৰ্ণামেণ্টৰ খিতাপ অৰ্জন কৰিছে। টুৰ্ণামেণ্টত সৰ্বাধিক গ'ল দি লওটাৰো মাৰ্টিনেজে ২০২৪ কোপা আমেৰিকা গ'ল্ডেন বুট লাভ কৰে। মাৰ্টিনেজে টুৰ্ণামেণ্টখনত মুঠ ৫টা গ'ল দিয়ে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে আৰ্জেণ্টিনাই ২০২২ চনত কাটাৰত অনুষ্ঠিত ফিফা বিশ্বকাপৰ খিতাপ জয় কৰিছিল। আৰ্জেণ্টিনাৰ তাৰকা খেলুৱৈ লিঅ'নেল মেছিয়ে ৩৭ বছৰ বয়সত ৩৯ সংখ্যক বাৰৰ বাবে এই টুৰ্ণামেণ্ট খেলে।

০০০০০

পেৰিছ অলিম্পিকৰ ফটো সংগ্ৰহৰ দায়িত্ব লাভ কৰা দেশৰ আগশাৰীৰ ফটো সাংবাদিক ঋতুৰাজ কোঁৱৰক আজি অসম ফটো সাংবাদিক সংস্থাই সম্বৰ্ধনা জ্ঞাপন কৰে। এই উপলক্ষে গুৱাহাটী প্ৰেছ ক্লাবত আয়োজিত অনুষ্ঠানত পৰিৱহন বিভাগৰ বিশেষ কৰ্তব্যৰত বিষয়া গৌতম দাস, জ্যেষ্ঠ ক্ৰীড়া সাংবাদিক সুবোধ মল্লবৰুৱা, পৱিত্ৰ গগৈ, গুৱাহাটী প্ৰেছ ক্লাবৰ সভাপতি সুস্মিতা গোস্বামীকে ধৰি অন্যান্য সাংবাদিকসকল উপস্থিত থাকে।

০০০০০

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত কামৰূপ মহানগৰ জিলাৰ নিউ গুৱাহাটী বিধানসভা সমষ্টিত নাটক আৰু নৃত্যৰ কৰ্মশালা পূৰ্ণগতিত চলি আছে। বিধানসভা সমষ্টিভিত্তিত আয়োজিত এই কৰ্মশালাত চাৰুমন একাডেমীয়ে সহযোগ কৰিছে। ৫ জুলাইৰ পৰা আৰম্ভ হোৱা এই কৰ্মশালাত মুকাভিনয়, কবিতা আবৃত্তি, অভিনয়, মঞ্চসজ্জা, ৰূপসজ্জা, লোকনৃত্য, সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ দিয়া হৈছে।

০০০০০

গুৱাহাটীৰ সৰুসজাইত অনুষ্ঠিত ষষ্ঠ বাৰ্ষিক উত্তৰ-পূব পেনছাক ছিলাট চেম্পিয়নশ্বিপত আয়োজক অসমে শ্ৰেষ্ঠ দলৰ সন্মান অৰ্জন কৰিছে। দেওবাৰে সামৰণি পৰা প্ৰতিযোগিতাখনত অসমে ১১৮টা সোণৰ পদকসহ মুঠ ৪০৪টা পদক অৰ্জন কৰে। ৬০টা পদকেৰে নাগালেণ্ডে দ্বিতীয় আৰু ৩৫টা পদক অৰ্জনেৰে মণিপুৰে তৃতীয় স্থান অধিকাৰ কৰে। প্ৰতিযোগিতাখনত মিজোৰামৰ বাহিৰে ছিকিমকে ধৰি উত্তৰ-পূবৰ ৭ খন ৰাজ্যৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰে।

০০০০০

বেংগালুৰুৰ কান্তিৰাভা ষ্টেডিয়ামত আজিৰে পৰা ৰাষ্ট্ৰীয় ছাব জুনিয়ৰ আৰু জুনিয়ৰ পেৰা এথলেটিকছ অনুষ্ঠিত হৈছে। এই প্ৰতিযোগিতাত অসমৰ ৭ জনীয়া দলে অংশগ্ৰহণ কৰে। আজি খেলুৱৈৰ পঞ্জীয়ন হোৱাৰ পাছত কাইলৈৰ পৰা খেলসমূহ অনুষ্ঠিত হ'ব।

০০০০০

ডিব্ৰুগড়ৰ চিৰিংচাপৰিৰ নিবাসী সৰবৰহী মহিলা দিব্য বৰদলৈৰ আজি বিয়লি দেহাবসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৫ বছৰ।

০০০০০

সমাপ্ত